৮

# জনসংখ্যাৰ আকস্মিক বিস্ফোৰণ, জনসংখ্যা বৃদ্ধিৰ বৈশিষ্ট্য আৰু তত্ত্বসমূহ, ভাৰতবৰ্ষত জনসংখ্যাৰ আকস্মিক বিস্ফোৰণৰ সমস্যাসমূহ।।

# (Population explosion, characteristics and theories of population growth, Problems of population explosion in India)

❑ **জনসংখ্যাৰ আকস্মিক বিস্ফোৰণ (Population Explosion) ঃ**

এক্সপ্লোচন্ শব্দটোৰ অৰ্থ হৈছে আকস্মিক বিস্ফোৰণ। জনসংখ্যাৰ আকস্মিক বিস্ফোৰণ বুলি কলে অনাকাংক্ষিতভাৱে তীব্ৰ হাৰত বৃদ্ধিপোৱা কোনো এখন বিশেষ ঠাই বা অঞ্চলৰ অধিবাসীসকলৰ কথাকে বুজোৱা হয়। অৰ্থাৎ পৃথিৱীৰ কোনো এটা বিশেষ অঞ্চলত বাস কৰা বাসিন্দাসকলৰ সংখ্যা তীব্ৰভাৱে বৃদ্ধি পোৱাৰ ফলত সেই বিশেষ অঞ্চলটোত সৃষ্টি হোৱা উশৃংখল জীৱন প্ৰক্ৰিয়াকে জনবিস্ফোৰণ বুলি ক'ব পাৰি। জনসংখ্যাৰ

## ❑ জনসংখ্যা বৃদ্ধিৰ কাৰণ (Causes of Population Explosion) ঃ

জনসংখ্যা বৃদ্ধিৰ মূল কাৰণ তথা বিশেষ উৎপাদনসমূহ উপযুক্তভাৱে চিহ্নিত কৰিব নোৱাৰিলে এনে সমস্যা প্ৰতিহত কৰাৰ প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত উপায় উদ্ভাৱন কৰা কেতিয়াও সম্ভৱ নহয়। পৃথিৱীৰ বিভিন্ন দেশৰ আৰ্থ-সামাজিক, ৰাজনৈতিক, ভৌগোলিক, ধৰ্মীয় আৰু সাংস্কৃতিক ৰীতি পৰম্পৰাৰ ভিন্নতা অনুসৰি জনসংখ্যা বৃদ্ধিৰ মূল কাৰণ তথা বিশেষ উপাদানসমূহো পৃথক হোৱা দেখা যায়। যি কি নহওক জনসংখ্যা বৃদ্ধিৰ সমস্যাৰ লগত জড়িত বিশেষজ্ঞ সকলৰ দৃষ্টিভংগী অনুসৰি উচ্চহাৰত জনসংখ্যা বৃদ্ধিৰ মূল কাৰণসমূহ প্ৰধানত তিনিটা উপাদানৰ (Factors) ওপৰত নিৰ্ভৰশীল। এনে উপাদানসমূহ মূলত— (১) পৰিবেশগত অথবা জলবায়ুগত আৰু প্ৰাকৃতিক উপাদান (Environmental or climatic and Physical factor) (২) অৰ্থনৈতিক উৎপাদান (Economic factor) আৰু (৩) জনসাধাৰণৰ সামাজিক আৰু ধৰ্মীয় দৃষ্টিভংগী (Socio-religious outlook of the people)

এনেবোৰ উপাদানৰ উপৰিও জনসংখ্যা বৃদ্ধিৰ আন এটা বিশেষ উপাদান হৈছে INFILTRATION অৰ্থাৎ বহিৰাগত প্ৰব্ৰজন। এনে প্ৰব্ৰজনৰ হেঁচা ভাৰতৰ বিভিন্ন অংগৰাজ্যৰ ক্ষেত্ৰত কিমান গুৰুতৰভাৱে পৰিছে সেই কথা ইতিমধ্যে সকলোৱে উপলব্ধি কৰিব পাৰিছে।

Scanned with CamScanner

১। সাৰ্বজনীন বিবাহ কাৰ্য (Universal Marriage) ঃ

আইনগত বাধা নিষেধ থকা সত্বেও ভাৰতবৰ্ষত ১৫-১৯ বছৰৰ ভিতৰত প্ৰায় ৭০ শতাংশ ছোৱালীৰে বিবাহ কাৰ্য সম্পাদিত হয়। এই ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰত উল্লিখিত বয়সত মাত্ৰ ৫ শতাংশ যুৱতীৰহে বিবাহ কাৰ্য সম্পাদিত হয়। তাৰোপৰি সকলো ধৰণৰৰ আৰ্থ-সামাজিক গোটৰ পৰিয়াল আৰু লোকৰ ক্ষেত্ৰতে তিনিটা সন্তান লাভৰ ধাৰণা অধিক প্ৰকট। গড় হিচাপে প্ৰতিটো ভাৰতীয় পৰিয়ালে তিনিটা সন্তান, দুটা ল'ৰা এজনী ছোৱালীৰ, বিশেষ ধাৰণাক আদৰ্শ ধাৰণা হিচাপে গ্ৰহণ কৰে। Sarma আৰু Jain (1973)-এ সম্পাদন কৰা এটা বিশেষ জৰীপ অনুসৰি প্ৰতি পাঁচজন তিৰোতাৰ ভিতৰত এজনে ল'ৰা-ছোৱালীৰ সংখ্যা সম্পৰ্কত অদৃষ্টবাদী ধাৰণা গ্ৰহণ কৰে। এনে তিৰোতাসকলে সন্তান জন্ম হোৱা কাৰ্যক ঐশ্বৰিক দান হিচাপে গ্ৰহণ কৰে। দুভাগৰ এভাগ তিৰোতাই তিনি বা চাৰিজন সন্তানৰ ধাৰণাক আদৰ্শ ধাৰণা বুলি গণ্য কৰে।

২। শীঘ্ৰ বিবাহ (Early Marriage) ঃ

সোনকালে বিবাহ-কাৰ্য সম্পাদন কৰাটো ভাৰতীয় সমাজৰ এটা বিশেষ বৈশিষ্ট্য। ছোৱালীৰ ক্ষেত্ৰত বিবাহ-কাৰ্য সম্পাদন প্ৰক্ৰিয়া সোনকালে সমাপ্ত কৰি নিজৰ দায়িত্বৰ পৰা মুক্ত হ'ব লাগে বুলি প্ৰায়বোৰ পিতৃ-মাতৃয়ে ধাৰণা কৰি লয়। কিছুমান সমাজ আৰু অঞ্চলত য'ত নিৰক্ষৰতাৰ হাৰ অধিক বেছি, ল'ৰা-ছোৱালীৰ বিবাহ কাৰ্য সম্পাদন কৰাটোৱে পিতৃ-মাতৃৰ মূল দায়িত্ব বুলি গণ্য কৰা হয়। ইয়াৰ ফলত ল'ৰা-ছোৱালী অৰ্থাৎ সন্তান জন্মৰ হাৰ অধিক গতিশীল-ভাৱে আগবাঢ়ি যোৱা দৃষ্টি গোচৰ হয়।

৩। পুত্ৰ সন্তানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ (Preference for sons) ঃ

ভাৰতীয় সমাজত কন্যা সন্তানতকৈ পুত্ৰ সন্তান জন্মৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হয়। হিন্দু জীৱন প্ৰক্ৰিয়াত পিতৃ-মাতৃৰ মৃত্যুৰ পিচত মৃতকৰ সৎকাৰ কাৰ্য সম্পাদনত পুত্ৰ-সন্তানৰ ভূমিকা অধিক। প্ৰায়ভাগ হিন্দু পৰিয়ালত এটা বা দুটা পুত্ৰ সন্তান জন্ম নোহোৱা পৰ্যন্ত পৰিয়াল পৰিকল্পনাৰ (Family Planning) নীতি কাৰ্যকৰী নহয়। এনে পৰিয়ালত দুটা তিনিটা কন্যা সন্তান জন্মৰ পিচতো পুত্ৰ সন্তানৰ আকাংক্ষাত পুনঃ সন্তান জন্ম দিয়া লক্ষ্যত উপনীত হোৱা দেখা যায়। এই ক্ষেত্ৰত All India Family Planning Survey এ প্ৰায় ২৬,০০০ দম্পতিৰ ক্ষেত্ৰত এটা জৰীপ কাৰ্য সম্পাদন কৰিছিল আৰু এনে দম্পতি বিলাকৰ শতকৰা ৮০ ভাগেই উল্লিখিত ধাৰণাৰ বশৱৰ্তী হোৱা দেখা গৈছিল। শতকৰা ৭০ ভাগ তিৰোতাই দুটা বা তাতকৈও অধিক পুত্ৰ সন্তান জন্ম দিয়াৰ আকাংখ্যা ব্যক্ত কৰিছিল। ইয়াৰে চাৰিভাগৰ এভাগ তিৰোতাই এটা মাত্ৰ পুত্ৰ সন্তান জন্ম দিয়াৰ আকাংক্ষা ব্যক্ত কৰিছিল। তাৰোপৰি তিনিভাগৰ এভাগ তিৰোতাই তিনিটা বা তাতকৈ অধিক পুত্ৰ-সন্তানৰ আকাংক্ষা ব্যক্ত কৰিছিল। এই ক্ষেত্ৰত প্ৰতি গৰাকী বিবাহিতা

Scanned with CamScanner

কৰাৰ লগে লগে তেওঁলোকৰ বিবাহৰ বয়সো স্বাভাৱিকভাৱেই বৃদ্ধি পায়। অৰ্থাৎ কম বয়সতে বিবাহ-কাৰ্য সম্পাদন হ'লে ভৱিষ্যত জীৱনত উদ্ভৱ হ'ব পৰা সমস্যাৰ বিষয়ে ছোৱালীসকলে শিক্ষাৰ সহায়তহে উপলব্ধি কৰিব পাৰে।

৬। জীৱনৰ বৃত্তি বা জীৱিকা (Occupation) :

ভাৰতবৰ্ষত সৰ্ব্বমুঠ জনসংখ্যাৰ ৭০ শতাংশই কৃষিজীৱী। প্ৰায়বোৰ কৃষকেই নিৰক্ষৰ অথবা অৰ্ধশিক্ষিত। গতিকে জীৱন সম্পৰ্কে এওঁলোকৰ ধাৰণাও পৃথক ধৰণৰ। জন বিস্ফোৰণৰ বিভিন্ন সমস্যাৰ লগত জড়িত বিশেষজ্ঞসকলৰ মতে অন্যান্য বৃত্তিধাৰীলোক সকলতকৈ কৃষিকাৰ্যৰ লগত জড়িত সাধাৰণ লোকসকলৰ ল'ৰা-ছোৱালীৰ সংখ্যা অধিক হয়। গ্ৰাম্য অঞ্চলৰ মৰ্যাদাসম্পন্ন আৰু উচ্চ শিক্ষিত লোক, যেনে—শিক্ষক, অন্যান্য কৰ্মচাৰী আদিৰ তুলনাত কৃষকসকলৰ ল'ৰা-ছোৱালীৰ সংখ্যা স্বাভাৱিকতেই অধিক। Chester Alexander (1958) এ এক বিশেষ অধ্যয়ন যোগে জন্মৰ হাৰ আৰু কৃষি কাৰ্যত জড়িত তিৰোতাসকলৰ মাজত ধনাত্মক সহঃসম্বন্ধ থকাৰ কথা উল্লেখ কৰিছে। তেওঁৰ মতে বিভিন্ন উদ্যোগত কাম কৰা তিৰোতাসকলৰ ক্ষেত্ৰত এনে সহঃসম্বন্ধ ঋণাত্মক ধৰণৰ। আনকথাত ক'বলৈ হ'লে শিল্প প্ৰধান অঞ্চলত তুলনামূলকভাৱে জন্মৰ হাৰ কম আৰু ইয়াত জীৱনৰ দীৰ্ঘতাও অধিক।

৭। নিম্ন নগৰমুখী প্ৰক্ৰিয়া (Lower Urbanisation) :

ঔদ্যোগিকৰণৰ প্ৰক্ৰিয়া ক্ৰমাগতভাবে বৃদ্ধি পোৱা সত্বেও ভাৰতবৰ্ষত মুঠ জনসংখ্যাৰ ২০ শতাংশ লোকেহে নগৰত বাস কৰে। জনসংখ্যা সমস্যাৰ লগত জড়িত বিশেষ কিছু অধ্যয়নৰ সতে গ্ৰাম্য অঞ্চলতকৈ নগৰ অঞ্চলত জন্মৰ হাৰ বিশেষভাৱে কম। বিশেষজ্ঞসকলৰ দৃষ্টিভংগীত, নগৰ অঞ্চলত জনসংখ্যাৰ ঘনত্ব (Population Density) ক্ৰমাগতভাৱে বৃদ্ধি পোৱা বাবেই হয়তো জন্মৰ হাৰ কিছু কম অথবা দৃঢ়ভাৱে নিয়ন্ত্ৰিত হৈছে। কাৰণ জনসংখ্যাৰ ঘনত্ব আৰু জন্মৰ হাৰৰ মাজত বিপৰীতমুখী সহঃসম্বন্ধ আছে। জনসংখ্যাৰ ঘনত্ব যিমানে বৃদ্ধি হয় জন্মৰ হাৰ সিমানেই কমি যায়। তাৰোপৰি চহৰ অঞ্চলত শিশুৰ মৃত্যুৰ হাৰ কম হোৱা হেতুকে আৰু জীৱনৰ বিস্তৃতি (Life Span) বৃদ্ধি হোৱাৰ লগে লগে বাসপোযোগী ভূমিৰ ওপৰত হেঁচাও বৃদ্ধি পায় আৰু জন্মৰ হাৰ ক্ৰমাগতভাৱে হ্ৰাস পায়।

Scanned with CamScanner